# বৰ অসমৰ ভাওনা কৰ্মশালা

**গুৱাহাটী, ৯ জুলাই ঃ** বেচৰকাৰী সংস্থা 'বৰ অসম'ৰ উদ্যোগত ১০ জুলাইৰ পৰা ভাওনাৰ প্ৰশিক্ষণ কৰ্মশালাৰ আয়োজন কৰা হৈছে। পাৰ্থ শইকীয়া আৰু তেওঁৰ দলৰ তত্বাৱধানত ১৪ বছৰৰ তলৰ শিশুসকলৰ মাজত বিনামূলীয়াকৈ ১৫ দিনীয়া কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠান ১০ জুলাইত উলুবাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব। যোগাযোগৰ নম্বৰ ৭০০২০৪৬৪৪৫, ৮৭৬১০২২৯২৫, ৯৩৬৫২৬২৯৪১।

## দিছপুৰ কলেজৰ নাগৰিক সেৱা কেন্দ্ৰ-এন এছ এছ

# গণেশগুৰিত 'নাগৰিক সেৱা পষেক'

**গুৱাহাটী, ৯ জুলাই ঃ** দিছপুৰ মহাবিদ্যালয় নাগৰিক সেৱা কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত ১৫ দিনীয়া 'নাগৰিক সেৱা পষেক' আয়োজন কৰা হৈছে। বৃহত্তৰ গণেশগুৰি নাগৰিক মঞ্চ আৰু গণেশগুৰি ক্ৰীড়া আৰু সাংস্কৃতিক যুৱ মঞ্চৰ সহযোগত আয়োজিত এই শিবিৰৰ মূল লক্ষ্য হৈছে ৰাইজৰ বাবে প্ৰয়োজনীয় ৰাজহুৱা আৰু মাটি সম্পৰ্কীয় নথি-পত্ৰৰ সেৱাসমূহ পোনপটীয়াকৈ তেওঁলোকৰ কাষলৈ লৈ যোৱা। এই ১৫ দিনীয়া শিবিৰ অহা ১০ জুলাইৰ পৰা ২৪ জুলাইলৈ গণেশগুৰি ক্ৰীড়া আৰু সাংস্কৃতিক যুৱ মঞ্চৰ চৌহদত অনুষ্ঠিত হ'ব। প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা বিয়লি ৩ বজলৈ ৰাইজে এই সেৱাসমূহ গ্ৰহণ কৰিব পাৰিব। শিবিৰত উপলব্ধ মূল সেৱাসমূহ মাটিৰ নামজাৰি, উত্তৰাধিকাৰী সূত্ৰে নামজাৰি, বাটোৱাৰা, উত্তৰাধিকাৰী প্ৰমাণপত্ৰ, আপত্তিবিহীন, জমাবন্দী, মাটিৰ লগত জড়িত বিভিন্ন চৰকাৰী সেৱাৰ অনলাইন ব্যৱস্থা আৰু সহায়।

# শিক্ষা




**গুৱাহাটী, ৯ জুলাই** মহৰ্ষি বিদ্যামন্দিৰ জুলাইলৈকে শিক্ষক- সাতদিনীয়া আবাসি সফলতাৰে সম্পন্ন ব বিভিন্ন প্ৰান্তত অৱস্থি অহা ৮৪ গৰাকী শিক্ষ